**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-07-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। গুৱাহাটীৰ সমীপত এখন ছেটেলাইট টাউনশ্বিপ গঢ়া হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নীতি আয়োগৰ নৰম পৰিচালন পৰিষদৰ সভা।

৩। ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে বিজেপি আৰু প্ৰধান বিৰোধী দল কংগ্ৰেছৰ ব্যাপক তৎপৰতা। ৫টা সমষ্টিৰ বাবে ৫ জন মন্ত্ৰীক বিশেষ দায়িত্ব অৰ্পণ বিজেপিৰ।

৪। বৰ্ণাঢ্য কাৰ্যসূচীৰে ফ্ৰান্সত পেৰিছ অলিম্পিক ২০২৪ আৰম্ভ। কেইবাটাও ইভেণ্টত আজি ভাৰতীয় খেলুৱৈৰ প্ৰতিদ্বন্দ্বিতা। **আৰু**

৫। শ্ৰীলংকাত আজি তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰত শ্ৰীলংকাৰ মুখামুখি।

oooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ সমীপত এখন চেটেলাইট টাউনশ্বিপ গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰিছে। এই টাউনশ্বিপৰ বাবে কেন্দ্ৰই ধনৰ যোগান ধৰিব। ইয়াৰ বাবে বাজেটত প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা কৰা হৈছে। কালি এখন সংবাদ মেল সম্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে, দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত স্থান লাভ কৰাৰ বাবে অসম সঠিক দিশেৰে আগবাঢ়িছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ অৰ্থনৈতিক সমীক্ষাৰ তথ্য বিশ্লেষণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে আয়ুষ্মান কাৰ্ডৰ সন্দৰ্ভতো এক বিশেষ ঘোষণা কৰে। তেওঁ কয় যে, এতিয়াৰে পৰা হৃদযন্ত্ৰ সংৰোপণ, বৃক্ক সংৰোপণ, জুয়ে পোৰা বা তেনেধৰণৰ ৩০০ প্ৰকাৰৰ জটিল বা গুৰুতৰ চিকিৎসা পদ্ধতি আয়ুষ্মান কাৰ্ডৰ যোগেদি চৰকাৰী হাস্পতাল আৰু নাৰ্ছিং হোম উভয়তে উপলব্ধ হ'ব। এইসমূহ বেমাৰৰ চিকিৎসাৰ বাবে চৰকাৰে নিৰ্ধাৰিত হাৰত ৰোগীৰ চিকিৎসাৰ ব্যয় বহন কৰিব। আনহাতে সাধাৰণ ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত বেচৰকাৰী হাস্পতাল বা নাৰ্ছিং হোমত আয়ুষ্মান কাৰ্ডৰ সুবিধা পোৱা নাযাব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত নিটি আয়োগৰ নৰম পৰিচালন পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব। এইবাৰৰ বৈঠকৰ বিষয় হৈছে "বিকশিত ভাৰত@২০৪৭," - ভাৰতক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত গুৰুত্ব আৰোপ। নিটি আয়োগৰ তৰফৰ পৰা প্ৰকাশ কৰা অনুসৰি এই বৈঠকৰ লক্ষ্য হৈছে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত সহযোগিতা গঢ়ি তোলাৰ লগতে গাওঁ-নগৰ উভয় ক্ষেত্ৰতে জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰা। এই বৈঠকত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ ভূমিকা সম্পৰ্কেও বিশদভাৱে আলোচনা কৰা হ'ব। নিটি আয়োগে উল্লেখ কৰে যে ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ পথত অগ্ৰসৰ হৈছে। নিটি আয়োগৰ অধ্যক্ষ

**হিচাপে প্ৰধানমন্ত্ৰী, ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্যমন্ত্ৰী আৰু উপ-ৰাজ্যপাল, কেন্দ্ৰীয় মন্ত্ৰী, নিটি আয়োগৰ উপাধ্যক্ষ আৰু সদস্যসকল আজিৰ বৈঠকত উপস্থিত থাকিব।**

০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ নিৰ্বাচনৰ বাবে ৰাজ্যত শাসক দল বিজেপি আৰু বিৰোধী দল কংগ্ৰেছৰ ব্যাপক তৎপৰতা আৰম্ভ। বিজেপিয়ে ৫ জন মন্ত্ৰীক ৫টা সমষ্টিৰ বাবে বিশেষ দায়িত্ব অৰ্পণ কৰিছে। এই সন্দৰ্ভত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই কালি এখন সংবাদ মেলত কয় যে, বিহালিত পীযুষ হাজৰিকাই, চামগুৰিত বিমল বৰাই, ছিদলীত অশোক সিংঘলে, ধলাইত জয়ন্তমল্ল বৰুৱাই আৰু বঙাইগাঁৱত ৰঞ্জিত কুমাৰ দাসে নিৰ্বাচনী প্ৰস্তুতিৰ পৰা প্ৰচাৰলৈ সকলোখিনি তদাৰক কৰিব। তেওঁ জনোৱা মতে, উপ নিৰ্বাচনত ছিদলি সমষ্টিত ইউ পি পি এল আৰু বঙাইগাঁৱত অগপ প্ৰাৰ্থী দিয়াৰ বিপৰীতে বাকী তিনিটা সমষ্টিত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। সমান্তৰালকৈ কংগ্ৰেছ দলেও উপ নিৰ্বাচনৰ বাবে সমষ্টি কেইটাত দলৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰিছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কালি সমষ্টি কেইটাৰ স্থানীয় নেতাৰ সৈতে বাৰ্তালাপ কৰি তৃণমূল পৰ্যায়ত দলৰ ভেঁটি শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে।

০০০০০০

ৰাষ্ট্ৰসংঘৰ শিক্ষা, বিজ্ঞান আৰু সংস্কৃতি সংস্থা চমুকৈ ইউনেস্ক'ৱে কালি চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে ঘোষণা কৰে। এই ঘোষণাৰ লগে লগে সাংস্কৃতিক শ্ৰেণীত মৈদাম ক্ষেত্ৰখন উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু ভাৰতবৰ্ষৰ ৪৩ সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। চৰাইদেউ জিলাত অৱস্থিত চৰাইদেউ মৈদাম ক্ষেত্ৰক অসমৰ পিৰামিড হিচাপে অভিহিত কৰা হয় আৰু এই ক্ষেত্ৰখনত ৯০ গৰাকীতকৈও অধিক আহোম ৰাজ পৰিয়ালৰ লোকক সমাধিস্থ কৰা হৈছে। চৰাইদেউ মৈদাম ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনন্দ আৰু গৌৰৱ প্ৰকাশ কৰিছে। সামাজিক মাধ্যম যোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰতৰ বাবে এয়া অপৰিসীম আনন্দ আৰু গৌৰৱৰ বিষয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰাইদেউ মৈদামে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ কৰাটো অসমৰ বাবে স্মৰণীয় দিন হিচাপে উল্লেখ কৰে। এয়া অসমৰ বাবে এটা বৃহৎ প্ৰাপ্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, চৰাইদেউ মৈদাম হৈছে অসমৰ টাই-আহোম জনগোষ্ঠীৰ গভীৰ আধ্যাত্মিক বিশ্বাস, চহকী ঐতিহ্য আৰু স্থাপত্য ভাস্কৰ্যৰ অপূৰ্ব নিদৰ্শন।

ইফালে চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰ স্বীকৃতি প্ৰদান কৰাৰ পাছত চৰাইদেউবাসী উৎফুল্লিত হৈ পৰে। জিলাখনৰ জনসাধাৰণে আনন্দ-উল্লাসৰ মাজেৰে শুভ সংবাদটো উদযাপন কৰে। এই সংবাদ লাভ কৰাৰ পিছতেই কালি সন্ধিয়া স্থানীয় লোক আৰু বিভিন্ন দল-সংগঠনে মৈদামত এহেজাৰ এগছি বন্তি জ্বলাই পূৰ্ব পুৰুষক স্মৰণ কৰে। তদুপৰি মৈদামৰ পৰা ধোদৰ আলি সংযোগী ঐতিহাসিক শৰ নিয়া আলিৰ দুয়োকাষে বন্তি প্ৰজ্বলন কৰি পথচোৱা উজ্বলাই তোলে। ইয়াৰ পূৰ্বে পুৱা চৰাইদেউ জিলাৰ বিভিন্ন ঠাইৰ পৰা নিৰ্বাচিত কৰি অনা টাই-আহোম মলুঙৰ এটা দলে মৈদাম ক্ষেত্ৰত থকা উপাসনাস্থলীত পৰম্পৰাগত ৰীতি-নীতিৰে বানফি পূজা আৰম্ভ কৰে। টাই আহোমসকলে যিকোনো মাংগলিক কৰ্মৰ আৰম্ভণিতে পূৰ্ব পুৰুষক স্মৰণ কৰি এই বানফি পূজাৰ আয়োজন কৰে।

এই সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কালি মন্ত্ৰী যোগেন মহনে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অশেষ প্ৰচেষ্টাত চৰাইদেউ মৈদামে এই সন্মান লাভ কৰিছে। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰা শুভক্ষণত চৰাইদেউ মৈদামত উপস্থিত হৈ ঐতিহ্যমণ্ডিত আহোম শাসনৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ কৰাৰ দিনটোত ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। অসম গণ পৰিষদ দলে এই বিশেষ ক্ষণত অসমবাসীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। তদুপৰি দলটোৱে এই স্বীকৃতি যাত্ৰাত অৰিহণা যোগোৱা সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

oooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন জিলাত স্বাস্থ্য আৰু কৃষি বিভাগে বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধপান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসূতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। ৩ মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

oooooo

পেৰিছ অলিম্পিক ২০২৪, যোৱানিশাৰে পৰা ফ্ৰান্সত আৰম্ভ হৈছে। উদ্বোধনী অনুষ্ঠানটো বিশ্বৰ অগণন দৰ্শকে উপভোগ কৰে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'নে পেৰিছৰ চেইন নদীত প্ৰায় ৭ হাজাৰ খেলুৱৈয়ে নাৱেৰে পেৰেড কৰা এটা অগতানুগতিক অনুষ্ঠানত পেৰিছ অলিম্পিক গেমছ ২০২৪ মুকলি হোৱা বুলি ঘোষণা কৰে। মুলন ৰুজৰ ৮০ গৰাকী শিল্পীয়ে গোলাপী ৰঙৰ সাজ-পোছাকত ১৮২০ চনৰ পৰা প্ৰচলিত প্ৰখ্যাত নৃত্য পৰিৱেশন কৰে। পণ্ট নট্ৰে ডেম আৰু পেৰিছ চহৰ প্ৰেক্ষাগৃহত ৫০ গৰাকী নৃত্য শিল্পীয়ে একেলগে অনুষ্ঠান পৰিৱেশন কৰে। আমেৰিকাৰ তাৰকা শিল্পী লেডী গাগাৰ পৰিৱেশনেও দৰ্শকসকলক মন্ত্ৰমুগ্ধ কৰে।

পেৰিছ অলিম্পিক আৰম্ভ হোৱাৰ লগে লগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় দলটোক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে, প্ৰতিজন খেলুৱৈ দেশৰ গৌৰৱ। পেৰিছ অলিম্পিকত প্ৰতিগৰাকী ভাৰতীয় খেলুৱৈ জিলিকি উঠিব আৰু তেওঁলোকৰ দুৰ্দান্ত প্ৰদৰ্শনেৰে দেশবাশীক অনুপ্ৰাণিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ভাৰতীয় দলটোক পি ভি সিন্ধু আৰু শৰৎ কমলে নেতৃত্ব দিয়ে।

অলিম্পিকত আজি ভাৰতীয়ে খেলুৱৈৰ দলটোৱে বেডমিণ্টন, ৰ'য়িং, শ্যুটিং, টেনিছ, টেবুল টেনিছ, বক্সিং আৰু হকীত ভাগ ল'ব।

০০০০০০

যোৰহাট জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ উদ্যোগত কালি যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সভাগৃহত শিশু শ্ৰমিক, বাল্য বিবাহ আদি সামাজিক বিষয়সমূহৰ সৈতে জড়িত সকলো অংশীদাৰী ব্যক্তি আৰু সংস্থাৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। সভাত শিশু শ্ৰমিক আৰু বাল্য বিবাহ ৰোধৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আলোকপাত কৰা হয়।

০০০০০০

কোকৰাঝাৰ আৰক্ষীয়ে জিলাখনৰ শান্তিনগৰ ৩ নম্বৰ ৱাৰ্ডত সংঘটিত দুগৰাকী জ্যেষ্ঠ মহিলাৰ হত্যাকাণ্ডৰ অপৰাধত মানৱ সাহা নামৰ এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। কোকৰাঝাৰ আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পৃথ্বীৰাজ ৰাজখোৱাই কৈছে যে, ধৃত মানৱ সাহাক অসম-পশ্চিমবংগ সীমান্তৰ পৰা আটক কৰা হৈছে।

০০০০০০

বৰপেটা জিলাৰ আৰক্ষীয়ে জিলাখনৰ বিভিন্ন স্থানত নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। আৰক্ষীয়ে অভিযানকালত কেইবাখনো আৰক্ষী থানাৰ অধীনৰ বিভিন্ন অঞ্চলৰ পৰা কালি ১২ জন লোকক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে সদৰি কৰা অনুসৰি অভিযুক্তসকল হেৰ'ইন সৰবৰাহৰ লগত বিশেষভাৱে জড়িত। ধৃত লোকসকলৰ বিৰুদ্ধে বৰপেটা, কলগাছিয়া, সৰভোগ, কয়াকুচি আদি থানাত মুঠ ৯টা গোচৰ ৰুজু কৰা হৈছে।

০০০০০০

ইলোৰা বিজ্ঞান মঞ্চৰ যোৰহাট শাখাৰ এখন সাধাৰণ সভা কাইলৈ পুৱা চাৰে ১০ বজাৰ পৰা আৰম্ভ হ'ব। যোৰহাট জিলাৰ বিভিন্ন অঞ্চলত বিজ্ঞান মনস্কতাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে জন বিজ্ঞান আন্দোলন শক্তিশালী কৰাৰ কাৰণে কাৰ্যসূচী গ্ৰহণ কৰা ইলোৰা বিজ্ঞান মঞ্চৰ কেন্দ্ৰীয় বিষয়ববীয়াসকল সভাত উপস্থিত থাকিব। যোৰহাট নগৰৰ মাজমজিয়াৰ বৰুৱা চাৰিআলি সমীপৰ এ আই পি এছ এনৰ অন্যতম অংশীদাৰী সংগঠন চি আই ইউৰ কাৰ্যালয়ত অনুষ্ঠিত হ'বলগীয়া এই সভাত উদ্যোক্তাসকলে ৰাইজৰ উপস্থিতি কামনা কৰিছে।

০০০০০০

দৰং জিলাত এনচেফেলাইটিছ সদৃশ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। জিলাখনত এইপৰ্যন্ত তিনিগৰাকী মহিলাৰ এই ৰোগত মৃত্যু হৈছে। জিলা যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডা০ ৰমেশ চন্দ্ৰ ভট্টাচাৰ্যই জনোৱা মতে, জিলাখনৰ জলজালি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মোল্লাপাৰা উপ-স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত আৰেং গাঁৱত এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা প্ৰথমগৰাকী ৰোগীৰ খবৰ পোহৰলৈ আহে। জিলাখনৰ স্বাস্থ্য বিভাগে ২৫ জুলাইলৈকে মুঠ ৩৪ জন লোকক এনচেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হোৱাটো নিশ্চিত কৰিছে। এই ৰোগৰ বাহিৰেও জিলাখনত এতিয়ালৈকে জাপানীজ এনচেফেলাইটিছ ৰোগত ৮ গৰাকী লোক আক্ৰান্ত হৈছে।

০০০০০০

প্ৰাক্তন সাংসদ হৰিশ দ্বিবেদীক অসমত ৰাজ্যিক বিজেপিৰ প্ৰভাৰী হিচাপে নিযুক্তি দিয়া হৈছে। দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই প্ৰকাশ কৰা অনুসৰি মুঠ ৬ খন ৰাজ্যৰ প্ৰভাৰী আৰু সহ প্ৰভাৰী নিযুক্তি দিয়াৰ লগতে

বিহাৰ আৰু ৰাজস্থানৰ দলটোৰ নতুন ৰাজ্যিক মুৰববী নাম ঘোষণা কৰা হৈছে। বিহাৰত বৰ্তমান সহ প্ৰভাৰী হিচাপে নিযুক্ত হৈ থকা প্ৰাক্তন সাংসদ দ্বিবেদীয়ে বৈজয়ন্ত পাণ্ডাৰ পৰা অসমৰ প্ৰভাৰীৰ দায়িত্ব গ্ৰহণ কৰিব।

০০০০০০

নেচনেল টেষ্টিং এজেন্সি এন টি এয়ে কালি নীট-ইউজিৰ চূড়ান্ত, পুনৰ সংশোধিত ফলাফল ঘোষণা কৰে। ঘোষিত ফলাফল অনুসৰি ১৭ গৰাকী শিক্ষাৰ্থীয়ে শীৰ্ষস্থান দখল কৰিছে। পৰীক্ষাত অৱতীৰ্ণ পৰিক্ষাৰ্থীসকলে এন টি এৰ অফিচিয়েল ৱেবছাইটত ফলাফল আৰু নম্বৰ চাব পাৰিব।

০০০০০০

কোকৰাঝাৰত দ্বিতীয়বাৰৰ বাবে অহা ৩০ জুলাইৰ পৰা ঐতিহ্য মণ্ডিত ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৩৩ সংখ্যক এই প্ৰতিযোগিতাখনক লৈ আয়োজক সমিতিয়ে ইতিমধ্যে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। বি টি চিৰ কাৰ্যবাহী সদস্য দাওবৈচা বড়োৱে কালি এখন সংবাদমেলত কয় যে, এইবাৰৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া দল হ'ল বড়োলেণ্ড এফ চি, নৰ্থ ইষ্ট ইউনাইটেড এফ চি, ওড়িশা এফ চি আৰু বি এফ এফ এফ চি। অহা ৩০ জুলাইত কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত বড়োলেণ্ড এফ চি আৰু ইউনাইটেড এফ চিৰ মাজত উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। ষ্টেডিয়ামখনত ১১ হাজাৰ দৰ্শকে একেলগে খেল উপভোগ কৰিব পাৰিব। কাৰ্যবাহী সদস্যগৰাকীয়ে জনোৱা মতে, এইবাৰ অফলাইনত কোনো ধৰণৰ টিকট দিয়া নহয়। সকলো টিকট বুক মাই শ্ব' যোগে আগতীয়াকৈ বুকিং কৰিব পাৰিব।

০০০০০০

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকাই পাকিস্তানক ৩ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ শ্ৰীলংকাই ভাৰতৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। কালিৰ খেলখনত ১৪১ ৰানৰ লক্ষ্যৰে খেলা শ্ৰীলংকাৰ দলটোৱে তিনিটা উইকেট আৰু এটা বল বাকী থকা অৱস্থাত জয় লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ১৪০ ৰান সংগ্ৰহ কৰে। শ্ৰীলংকাৰ অধিনায়ক ছোমাৰি আঠাপথ্থুৱে সৰ্বাধিক ৬৩ ৰান কৰে আৰু প্লেয়াৰ অব দ্যা মেছ খিতাপ দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশত ১০ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ৫৪টা বলতেই ৮১ ৰানৰ লক্ষ্যত উপনীত হৈ ভাৰতে খেলখনত জয়লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত কেৱল ৮০ ৰানহে কৰিবলৈ সমৰ্থ হৈছিল। ভাৰতীয় অপেনাৰ স্মৃতি মন্ধানাই খেলখনত ৩৯টা বলত ৫৫ ৰান সংগ্ৰহ কৰে।

০০০০০০

শ্ৰীলংকাৰ পাল্লেকে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰত  আজি তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত  শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাৰ পৰা আৰম্ভ হ'ব।

০০০০০০

চৰাইদেউৰ মৈদামক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদানৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন প্ৰধান বাতৰি কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। **দৈনিক অসম** কাকতৰ বাতৰিটোৰ শিৰোনাম উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো সংস্কৃতিক সম্পদলৈ বিৰল মৰ্যদা,

ইউনেস্কোক ধন্যবাদ কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰীৰ ঃ চৰাইদেউ মৈদামলৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি, **অসমীয়া প্ৰতিদিন** কাকতে আহোমৰ ঐশ্বৰ্য-বিভূতি-ঐতিহ্যক উচ্চ প্ৰশংসা ঃ চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। **নিয়মীয়া বাৰ্তা, দি আছাম ট্ৰিবিউন** আৰু **দ্যা চেণ্টিনেল** কাকতেও এই বাতৰিটোৰ প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে এই বাতৰিটোৰ লগতে ঐতিহ্য ক্ষেত্ৰ ঘোষণাৰ  পিছতে চৰাইদেউত উৎসাহৰ ঢল বোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম কঁকাল ঘূৰাই এপাক নাচিলে সাংস্কৃতিক মন্ত্ৰী বিমল, ৰাজহ মন্ত্ৰী যোগেন মহনে ঃ চৰাইদেউত আবতৰীয়া বিহু, ঢুলীয়া-নাচনীৰে উখল-মাখল মৈদামৰ বাকৰি। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতেও প্ৰথম পৃষ্ঠাত গুৰুত্ব সহতাৰে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে চৰাইদেউৰ বাতৰিটোৰ সমান্তৰালকৈ অলিম্পিকৰ উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে ফ্ৰান্সত কুটাঘাট সংঘটিত হোৱাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম **পেৰিছ অলিম্পিকৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰাক মুহূৰ্তত কুটাঘাটত স্তব্ধ ফ্ৰান্স**। **দৈনিক অগ্ৰদূত** কাকতেও অলিম্পিক আৰম্ভণিৰ বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম- **অলিম্পিক আৰম্ভ, পদকৰ সম্ভাৱনা থকা দুই মহিলা বক্সাৰ কঠিন গ্ৰুপত ঃ প্ৰবল প্ৰত্যাহ্বানতো লাভলীনাই আশা।**

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – মাটিয়াৰ বন্দী শিবিৰৰ শোচনীয়া অৱস্থাক লৈ ক্ষুব্ধ উচ্চতম ন্যায়ালয়, স্বাভাৱিকতকৈ ৪ ডিগ্ৰী অধিক উত্তাপক দগ্ধ সমগ্ৰ অসম, কাৰ্গিলৰ বিজয়ৰ ২৫ বছৰ পূৰ্তিত প্ৰধানমন্ত্ৰী, তৃতীয়-চতুৰ্থ বৰ্গৰ কৰ্মচাৰোৰী হ'ব পাৰস্পৰিক বদলি, অসমীয়া ভাষাৰ প্ৰশ্নকাকতেৰে এ পি এ চি আৰম্ভ, চলিত বৰ্ষত ১ লাখ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ ঘোষণা মুখ্যমন্ত্ৰীৰ, শিক্ষয়িত্ৰী-কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণৰ দাবীত বিক্ষোভ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত